# খবৰনামা

# ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

## খবৰ

প্ৰথম প্ৰকাশ ✲ জুন, ২০০৬ চন

*সম্পাদক*- সোমনাথ বৰা

### চকুৰ পলকতে মহাবিদ্যালয়খন

*** মহাবিদ্যালয়ৰ নাম আৰু ঠিকনা ঃ**

**ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়**

স্থাপিত - ১৯৬৭ চনৰ জুলাই মাহ

ডাক- পুৰণিগুদাম

জিলা - নগাঁও ঃ অসম

ডাক-সূচাংক ৭৮২১৪১

দূৰভাষ - ০৩৬৭২-২৮১৬২৭

ই-মেইল ঃ bkb college @ hotmail.com

- গুৱাহাটী বিশ্ববিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, (গুৱাহাটী)ৰ অন্তৰ্ভুক্ত।
- **মহাবিদ্যালয়ৰ ভূমিৰ পৰিমাণ** - ২.২০ একৰ।
- **ইউ. জি. চি. পঞ্জীয়ন কাল** - ৪ জানুৱাৰি, ১৯৯৩ চন।
- ছাত্ৰ-ছাত্ৰীৰ সংখ্যা (২০০৫-২০০৬)
  - ক) উচ্চতৰ মাধ্যমিক ঃ ১০৭ জন।
  - খ) স্নাতক মহলা ঃ ৪৭৬ জন।
- **অনুমোদিত শিক্ষকৰ পদ ঃ ২৪ টা।**
- **শিক্ষকৰ সংখ্যা** - ক) অনুমোদিত ঃ ২৩ জন। খ) অনানুমোদিত ঃ ২ জন।
- অনুমোদিত অনা-শিক্ষক-কৰ্মচাৰীৰ পদ ঃ ৯ টা।
- অনুমোদিত অনা-শিক্ষক-কৰ্মচাৰীৰ সংখ্যা ঃ ৭ জন।
- অনানুমোদিত অনা-শিক্ষক কৰ্মচাৰীৰ সংখ্যা ঃ ৫ জন।
- দুটা পদ সোনকালে পূৰণ কৰা হ'ব।

### অধ্যক্ষৰ একাষাৰ

বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ স্নাতক মহলাৰ একমাত্ৰ শিক্ষানুষ্ঠান ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ে দুকুৰিৰ দুৱাৰদলিত থিয় দিছেহি। ১৯৬৭ চনতে স্থাপন হোৱা মহাবিদ্যালয়খনে বিগত সময়ছোৱাত অঞ্চলটোৰ উচ্চ শিক্ষাৰ সম্প্ৰসাৰণত এক উল্লেখযোগ্য ভূমিকা লৈ আহিছে। বৰ্তমানলৈকে মহাবিদ্যালয়খনে কেৱল কলা শাখাতে শিক্ষা আগবঢ়াই আছে যদিও আন্তঃগাঁথনি উন্নয়নৰ বাবে চেষ্টা চলাই আছে। বৃত্তিমুখী আৰু সময় উপযোগী স্ববিনিয়োগী বিষয় প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰতো বিশেষভাৱে মনোযোগ দিয়া হৈছে। অদূৰ ভৱিষ্যতে মহাবিদ্যালয়খনে বহুদিনীয়া অভাৱ পূৰণ কৰিব পৰাকৈ ন ন পদক্ষেপ গ্ৰহণ কৰাৰ দিশত অগ্ৰসৰ হৈছে।

নতুন শিক্ষাবৰ্ষৰ (২০০৬-০৭) সমূহ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা আৰু আন্তৰিক অভিনন্দন থাকিল।

### সম্পাদকীয়

ড° বিৰিঞ্চি কুমাৰ বৰুৱা, দেৱকান্ত বৰুৱা, নৰকান্ত বৰুৱা, ৰুদ্ৰ বৰুৱা আদি অসমৰ ভালেকেইজন সুসন্তানৰ নামৰ লগত জড়িত এই পুৰণিগুদাম। ৰাইজৰ চেষ্টাত এই অঞ্চলত এখন মহাবিদ্যালয় স্থাপন হোৱা চল্লিশ বছৰ হ'ল। চল্লিশ বছৰৰ পাছত মহাবিদ্যালয়খনে কি ৰূপ পৰিগ্ৰহ কৰিছে, সেয়া এতিয়া ৰাইজক জনোৱাৰ প্ৰয়োজন অনুভৱ কৰিছোঁহঁক। শিক্ষা ব্যৱস্থাত শিক্ষক, ছাত্ৰ আৰু অভিভাৱক — এই তিনি স্তম্ভই শক্তিশালী ভূমিকাৰে পুৰণিগুদামৰ উচ্চশিক্ষাৰ এই অনুষ্ঠানক আগুৱাই নিয়ক, সেই আশা আমি সকলোৱে কৰোঁ। নতুন যুগৰ নতুন শিক্ষা ব্যৱস্থাৰ সা-সুবিধা আমি কিমান ল'ব পাৰিছোঁ, ছাত্ৰ-ছাত্ৰীক কিমান দিব পাৰিছোঁ — সেয়া ৰাইজে জনাৰ প্ৰয়োজন আছে। যি দিশতে আমাৰ অভাৱ থকা বুলি ৰাইজৰ অনুভৱ হ'ব সেই দিশলৈ ৰাইজে আঙুলিয়ালে আমি ভাল পাম। আমি আশা কৰোঁ — ৰাইজৰ শক্তিশালী সহযোগে আমাৰ মহাবিদ্যালয়খনৰ উন্নতি খৰতকীয়া কৰিব।

## মহাবিদ্যালয় পৰিচালনা সমিতি —

১) শ্ৰীমতী চিত্ৰলেখা ফুকন (সভানেত্ৰী)
২) ড° ভূপেন শইকীয়া (সম্পাদক ও অধ্যক্ষ)
৩) শ্ৰীযুত মহেন্দ্ৰ আহোম (সদস্য)
৪) শ্ৰীযুত শৰৎ চন্দ্ৰ খাউণ্ড "
৫) শ্ৰীযুত যোগানন্দ গোস্বামী "
৬) ডা° মোজতাহিদ হাজৰিকা "
৭) শ্ৰীমতী তৰা শইকীয়া "
৮) মোঃ এ, কে,, এম, আখতাৰ "
৯) শ্ৰীযুত কমল চন্দ্ৰ শইকীয়া "
১০) মঃ কুতুব উদ্দিন আহমদ "

## মহাবিদ্যালয়ৰ অধ্যক্ষ সম্পৰ্কে —

চলিত বৰ্ষৰ ২ জানুৱাৰি তাৰিখে **ড° ভূপেন শইকীয়াদেৱে** (এম, এছ, ছি, ; পি, এইচ, ডি,) মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। এই বছৰৰ ১৯ মে' তাৰিখে International Institute of Education and Management (IIEM, New Delhi)এ তেখেতক 'ৰাষ্ট্ৰীয় বিদ্যা সৰস্বতী' পুৰস্কাৰেৰে সন্মানিত কৰে।

২০০৫-২০০৬ বৰ্ষত তেখেতৰ প্ৰকাশিত গ্ৰন্থ ঃ
১) পৰিৱেশ অধ্যয়ন (যুটীয়াভাৱে) - (স্নাতক পৰ্যায়ৰ)।
২) প্ৰকৃতি আৰু পৰিৱেশ।
৩) পৰিৱেশ আৰু আঞ্চলিক ভূগোল।
৪) The Geography of Economic Activity (Degree Major).

## মহাবিদ্যালয়ত শিক্ষাদান কৰা বিষয়সমূহ —

*উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহলা*

১। অসমীয়া (আধুনিক ভাৰতীয় ভাষা)
২। উচ্চ অসমীয়া
৩। ঐচ্ছিক অসমীয়া
৪। ইংৰাজী
৫। অৰ্থনীতি
৬। ৰাজনীতি বিজ্ঞান
৭। শিক্ষা
৮। বুৰঞ্জী
৯। ভূগোল
১০। পৰিৱেশ বিজ্ঞান

## শিক্ষকসকলৰ শিক্ষাসদী কাম-কাজ —

*২০০৫-২০০৬ বৰ্ষত নিম্নোক্ত শিক্ষকসকলে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ আলোচনা চক্ৰত অংশগ্ৰহণ কৰিছে —*

১। শ্ৰীমতী অঞ্জুমণি বৰা
২। শ্ৰীমতী মল্লিকা বৰা
৩। শ্ৰীযুত শান্তনু বৰদলৈ
} ৰহা কলেজ

৪। শ্ৰীযুত বিপুল চক্ৰৱৰ্তী
৫। শ্ৰীযুত পি. বি. বি. ছেত্ৰী
৬। মোঃ এ. কে. এম আখতাৰ
৭। শ্ৰীমতী লখিমী কাকতি
৮। শ্ৰীমতী গায়ত্ৰী গোপ
৯। শ্ৰীমতী আকাশী ভূঞা
} তেজপুৰ কলেজ

*২০০৫-২০০৬ বৰ্ষত পৰিশীলন আৰু অনুশীলন পাঠ্যক্ৰম কৰা শিক্ষকসকল —*

১। মোঃ আব্দুল হাচেম (পৰিশীলন পাঠ্যক্ৰম, ডিব্ৰুগড় বিশ্ববিদ্যালয়)
২। শ্ৰীযুত-সোমনাথ বৰা (অনুশীলন পাঠ্যক্ৰম, গুৱাহাটী বিশ্ববিদ্যালয়)
৩। শ্ৰীযুত প্ৰণৱ কুমাৰ সৰকাৰ (অঃ পাঃ, হিমাচল প্ৰদেশ বিশ্ববিদ্যালয়, চিমলা)
৪। শ্ৰীযুত হৰেকৃষ্ণ বৰা (অঃ পাঃ, হিমাচল প্ৰদেশ বিশ্ববিদ্যালয়, চিমলা)
৫। শ্ৰীমতী অনুৰূপা বৰা (অঃ পাঃ, গুৰু নানক দেৱ বিশ্ববিদ্যালয়)
৬। শ্ৰীমতী অলকা হুজুৰী (অঃ পাঃ, দিল্লী বিশ্ববিদ্যালয়)

ইতিপূৰ্বে মহাবিদ্যালয়ৰ মোঃ এ, কে, এম, আখতাৰ, শ্ৰীযুত যতীন শৰ্মা, শ্ৰীযুতা মামণি শইকীয়া, শ্ৰীযুতা আকাশী ভূঞাই বি, এড, ; শ্ৰীযুত মৃদুল কুমাৰ শইকীয়াই এল, এল, বি, ডিগ্ৰী লাভ কৰিছে। তদুপৰি শ্ৰীযুত সোমনাথ বৰা, শ্ৰীযুত শান্তনু বৰদলৈ, শ্ৰীমতী অলকা হুজুৰীয়ে 'নেট' (NET) আৰু প্ৰণৱ কুমাৰ সৰকাৰ শ্লেট (SLET) পৰীক্ষাত উত্তীৰ্ণ হৈছে। প্ৰণৱ কুমাৰ সৰকাৰে অৰুণাচলৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ত Warfare in medieval Assam শীৰ্ষক বিষয়ত পি, এইচ, ডি, ডিগ্ৰীৰ বাবে গৱেষণা চলাই আছে।

## শিক্ষকসকলৰ অন্যান্য কাম-কাজ

মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অন্যান্য সামাজিক কামতো নিজকে নিয়োজিত কৰি আহিছে। শ্ৰীযুত নৃপেন্দ্ৰ কুমাৰ শৰ্মা, শ্ৰীযুত নকুল শৰ্মা, মোঃ এ,

কে, এম, আখতাৰে এইড্ছ সজাগতা কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। শ্ৰীমতী অঞ্জনা গোস্বামী, শ্ৰীমতী বিজু বৰা, শ্ৰীমতী অনুৰূপা বৰা গ্ৰাম্য পুথিভঁৰাল সংস্থা আৰু গ্ৰাম বিকাশ পৰিষদৰ আজীৱন সদস্যা। শ্ৰীযুত কমল শইকীয়া আৰু শ্ৰীযুত যতীন শৰ্মা সাংস্কৃতিক অনুষ্ঠান "পৰিধি"ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। শ্ৰীযুত সোমনাথ বৰাই 'অসম নাট্য সন্মিলন', পুৰণিগুদাম শাখাৰ কাৰ্যকৰী সভাপতি আৰু দশম সদৌ অসম শিশু নাট প্ৰতিযোগিতা উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও নতুন পদাতিক, প্ৰান্তিক, সাদিন আদি কাকত-আলোচনীত তেখেতৰ কেইবাটাও গল্প প্ৰকাশ পাইছে। শ্ৰীযুত কমল শইকীয়াৰ প্ৰবন্ধ সাতসৰী, আজিৰ অসম আদি আলোচনীত প্ৰকাশ পাইছে। আন কেবাগৰাকী শিক্ষকৰ লেখনি মহাবিদ্যালয়ৰ আলোচনী আৰু অন্যান্য কাকতত প্ৰকাশ পাইছে। দীৰ্ঘদিন ধৰি মোঃ এ, কে, এম, আখতাৰে এন, চি, চি, আৰু পদ্মবাহাদুৰ ভাণ্ডাৰী ছেত্ৰীয়ে এন, এচ, এচ, পৰিচালনা কৰি আছে। মহাবিদ্যালয়ৰ "Womens' forum"এ অলপতে বালিজুৰিত মেলেৰীয়া সজাগতা শিবিৰ অনুষ্ঠিত কৰি অভিজ্ঞ চিকিৎসকৰ হতুৱাই গাঁওবাসীৰ স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা প্ৰদান কৰোৱায়।

## বুনিয়াদী আৰু আন্তঃগাঁথনিগত দিশৰ সা-সুবিধাসমূহ

মহাবিদ্যালয়খনৰ পুৰণা ভৱনৰ শ্ৰেণীকোঠাসমূহতে প্ৰধানকৈ পাঠদান কাৰ্য চলে। অধ্যক্ষৰ কোঠাৰ কাষতে দৰ্শনাৰ্থী কোঠা আছে। নতুন দুমহলীয়া ভৱনৰ তলৰ মহলাত শিক্ষকৰ সমূহীয়া কোঠা, বিভাগীয় কোঠা আৰু পুথিভঁৰাল, সংগ্ৰহালয় আৰু প্ৰজেক্টৰ কোঠা আছে। ওপৰ মহলাত দক্ষিণ ফালে সাতশ আঠষষ্ঠি বৰ্গফুট জোখৰ মূল পুথিভঁৰাল আছে। ইয়াত আঠহেজাৰ পাঁচশ ঊনাননৈ (৮৫৮৯)খন গ্ৰন্থ আৰু বুক বেঙ্কত নশ (৯০০) খন গ্ৰন্থৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰিব পৰাকৈ আহল-বহল সুবিধাজনক অধ্যয়ন কক্ষ, কেবাখনো বাতৰি কাকত, ৰাজ্যিক, ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনী, গৱেষণা পত্ৰিকা আছে। ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠা, চাইকেল ষ্টেণ্ড, মহাবিদ্যালয় ছাত্ৰ-একতা সভা কোঠা, কেন্টিনৰ সুবিধাও মহাবিদ্যালয়ত উপলব্ধ। 'শিক্ষা' আৰু 'ভূগোল' বিভাগৰ ব্যৱহাৰিক কোঠাৰ সুবিধাও আছে।

## ২০০৫-২০০৬ বৰ্ষত বুনিয়াদী আৰু আন্তঃগাঁথনিগত দিশৰ অগ্ৰগতিৰ খতিয়ান

১। মহাবিদ্যালয়ত Internet সংযোগ লোৱা হৈছে।
২। 'বুনিয়াদ আঁচনি'ৰ অধীনত পোৱা দহ লাখ টকাৰে "Utility Building"ৰ নিৰ্মাণ কাৰ্য সমাপ্ত হৈছে।
৩। U. G. C. Building Grant.ৰ টকাৰে ছশ বৰ্গফুট জোখৰ এটা আৰ, চি, চি, কোঠাৰ নিৰ্মাণ কাৰ্য চলি আছে।
৪। শ্ৰীযুতা ৰুণিমা ফুকনৰ অনুদানেৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঁপদ্ম ফুকনদেৱৰ স্মৃতিত মহাবিদ্যালয়ৰ বাগিচা দুখনৰ জালবেৰা দিয়া কাৰ্য সম্পন্ন হৈছে।
৫। পুথিভঁৰালৰ লগত যুক্ত "কনফাৰেন্স হল"ৰ কাম প্ৰায় সমাপ্ত হৈছে।
৬। প্ৰায় এহেজাৰ দুশ বৰ্গফুট জোখৰ Womens' Hostel ৰ নিৰ্মাণ কাৰ্য হাতত লোৱা হৈছে।

---

## ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা-

১। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীক সকাহ দিয়াৰ বাবে দৰিদ্ৰ ছাত্ৰনিধি গঠন কৰা হৈছে।
২। বুকবেঙ্কৰ ব্যৱস্থা।
৩। মহাবিদ্যালয়ৰ পুথিভঁৰালৰ পৰা সাময়িকভাৱে কিতাপ নিয়া আৰু অধ্যয়ন কক্ষত অধ্যয়ন কৰাৰ সুবিধা আছে।
৪। বৌদ্ধিক, সাহিত্যিক চিন্তা-চৰ্চা প্ৰকাশৰ মাধ্যম হিচাপে বছেৰেকীয়া আলোচনী আৰু তিনিখন প্ৰাচীৰ পত্ৰিকাৰ ব্যৱস্থা আছে।
৫। Remedial Classৰ ব্যৱস্থা আছে।
৬। স্নাতক পৰ্যায়ত সকলো বিষয়তে 'মেজৰ' পাঠ্যক্ৰম আছে।

৭। Utility Buildingত Indoor Gameৰ সুবিধা লব্ধ হ'ব।

৮। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে বাৰ্ষিক সপ্তাহ সমাৰোহত বিভিন্ন প্ৰতিযোগিতা পতা হয়।

৯। গণতান্ত্ৰিক পদ্ধতিৰে ছাত্ৰ একতা-সভাৰ প্ৰতিনিধি নিৰ্বাচন কৰা হয়।

১০। 'পৰিৱেশ অধ্যয়ন' বিষয়ৰ ক্ষেত্ৰ-ভিত্তিক অধ্যয়নৰ সুবিধা।

১১। খোৱাপানী, শৌচাগাৰ ব্যৱস্থাৰ উন্নতি সাধন।

১২। কম্পিউটাৰ ডিপ্লমা আৰু চাৰ্টিফিকেট ক'ৰ্চ খোলাৰ কথা বিবেচনা কৰি থকা হৈছে।

১৩। মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা মামনি মহান্তি শইকীয়াই মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপক নিৰোদ প্ৰসাদ মহান্তিৰ সোঁৱৰণত স্নাতক মহলাৰ 'মেজৰ' আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পাই উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ/ছাত্ৰী দুজনক ক্ৰমে ১৫০০.০০ টকা আৰু ১০০০.০০ টকাৰ বৃত্তি আগবঢ়ায়।

## মহাবিদ্যালয়ত পালন কৰা উৎসৱ-পাৰ্বন

১। সৰস্বতী পূজা।
২। ফাতেহা-ই-দোৱাজ-দহম।
৩। শঙ্কৰদেৱৰ তিথি।

## ছাত্ৰ-সমাজ


প্ৰায় ছশ ছাত্ৰ-ছাত্ৰীৰে মহাবিদ্যালয় ছাত্ৰ-সমাজ গঢ় লৈছে। নৱাগত আদৰণী সভা, মহাবিদ্যালয় সপ্তাহ আদিত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছে। ২০০৫-০৬ বৰ্ষত শঙ্কৰদেৱৰ তিথিৰ লগত ৰজিতা খুৱাই শঙ্কৰদেৱ সম্পৰ্কীয় আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। যোৱা বছৰ প্ৰখ্যাত গল্পকাৰ ইমৰাণ হুছেইনৰ গল্প 'হুদুমদেউ' নাট্য-পৰিচালক মৃণাল বৰাই নাট্যৰূপ দি মহাবিদ্যালয় প্ৰাঙ্গনত অভিনয় কৰায়। উল্লেখযোগ্য যে এই নাটৰ সৰহ সংখ্যক অভিনেতা-অভিনেত্ৰী আছিল মহাবিদ্যালৰ ছাত্ৰ-ছাত্ৰী। মহাবিদ্যালয়ৰ ছাত্ৰী স্মৃতা বৰাই ২০০৫ চনত টিহুত অনুষ্ঠিত অসম নাট্য সন্মিলনৰ অধিৱেশনৰ নাট প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰীৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।


শিক্ষাগত দিশত ছাত্ৰ-ছাত্ৰীসকলে উল্লেখনীয় সফলতা লাভ কৰিছে। ছটা বিভাগৰ পৰা মুঠ চৌত্ৰিশ জন ছাত্ৰ-ছাত্ৰীয়ে যোৱা বছৰ মেজৰসহ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছে।

২০০৫-০৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে দীপমণি বৰা নিৰ্বাচিত হয়।

## চলিত বৰ্ষৰ অন্যান্য পৰিকল্পনা —

চলিত বৰ্ষৰ পৰা মহাবিদ্যালয়ত ড° বিৰিঞ্চি কুমাৰ বৰুৱা স্মাৰক বক্তৃতা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বিভাগৰ তৰফৰ পৰা এখন তিনিমহীয়া ক্ষুদ্ৰ আলোচনী প্ৰকাশ কৰাৰ দিহা কৰিছে। ইংৰাজী আৰু ভূগোল বিভাগে আলোচনা চক্ৰ অনুষ্ঠিত কৰিবলৈ অৰ্থ-সাহায্যৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ লগত যোগাযোগ কৰাৰ চিন্তা কৰিছে।


মহাবিদ্যালয়ৰ পুথি ভঁৰাল।


নতুন কোঠাৰ নিৰ্মাণ চলি আছে।